Total No. of printed pages = 20

**4 (Sem-2) FACT**

**2019**

# FINANCIAL ACCOUNTING – II

Paper : 202

Full Marks – 80

Pass Marks – 24

Time – Three hours

The figures in the margin indicate full marks for the questions.

Answer either in English or in Assamese.

ইংৰাজী অথবা অসমীয়াত উত্তৰ লিখিবা।

1. (a) State which of the following statements are true and which are false : 1×5=5

তলৰ কোনবোৰ উক্তি সত্য আৰু কোনবোৰ অসত্য কোৱা ঃ

(i) Going concern concept supports valuation of assets at realisable price currently prevailing in the market.

চলিত ব্যৱসায়ৰ ধাৰণাই বজাৰত প্ৰচলিত মূল্যত সম্পত্তিসমূহৰ মূল্যায়নৰ সমৰ্থন কৰে।

[Turn over

(ii) Expenses not capable of precise allocation should only be allocated on some arbitrary basis while preparing Departmental Trading and Profit and Loss Account.

বিভাগীয় ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত যিবোৰ খৰচ যথাৰ্থ ভাবে আবন্টন কৰিব নোৱাৰি সেইবোৰক কেৱল যাদৃচ্ছিক ভাবেই ভগাই দিয়া উচিত।

(iii) Internally generated goodwill is usually not recorded in Balance Sheet of a firm.

অভ্যন্তৰীণ ভাবে সৃষ্ট সুনামক সচৰাচৰ প্ৰতিষ্ঠানৰ উদ্বৃত্ত পত্ৰত লিপিৱদ্ধ কৰা নহয়।

(iv) 'Dissolution of partnership' and 'dissolution of firm' imply the same.

'অংশীদাৰীত্বৰ অৱসায়ন' আৰু 'অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন' দুয়োটাই একে কথাকে বুজায়।

(v) Accounting Standard-6 deals with Accounting for Depreciation.

হিচাপীয় মানক-6 অৱক্ষয় হিচাপৰ বিভিন্ন দিশৰ লগত জড়িত।

(b) Give very short answers : 1×5=5

অতি চমু উত্তৰ দিয়া ঃ

(i) Why is credit sales not shown in Branch Account ?

শাখা হিচাপত বাকী বিক্ৰী কিয় দেখুওৱা নহয় ?

(ii) What kinds of accounting records does a dependent branch keep ?

নিৰ্ভৰশীল শাখা এটাই কেনে ধৰণৰ হিচাপ সম্বন্ধীয় তথ্যবোৰ সংৰক্ষণ কৰে ?

(iii) What is capital employed ?

নিয়োজিত মূলধন কি ?

(iv) Under which section of Indian Partnership Act, the court may dissolve a firm ?

ভাৰতীয় অংশীদাৰী আইনৰ কোন ধাৰা মতে আদালতে অংশীদাৰী প্ৰতিষ্ঠান এটাৰ অৱসায়ন ঘটাব পাৰে ?

(v) What is super profit ?

অতিলাভ কি ?

2. Give short answers to the following questions : $2\times5=10$

তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ

(a) Write two points of distinctions between 'dependent branch' and 'independent branch'.

'নিৰ্ভৰশীল শাখা' আৰু 'স্বতন্ত্ৰ শাখাৰ' মাজৰ দুটা পাৰ্থক্য লিখা।

(b) Write two objectives of preparing Departmental Account.

বিভাগীয় হিচাপ প্ৰস্তুতকৰণৰ দুটা উদ্দেশ্য লিখা।

(c) State two merits of conversion of a partnership firm into a limited company.

অংশীদাৰী প্ৰতিষ্ঠান এটাক সীমিত কোম্পানীলৈ ৰূপান্তৰণৰ দুটা সুবিধা উল্লেখ কৰা।

(d) How will the debit balance of a partner's capital account be treated in the event of dissolution of the firm ?

প্ৰতিষ্ঠানৰ অৱসায়নৰ সময়ত এজন অংশীদাৰৰ মূলধনৰ ডেবিট ৰাহিৰ কেনেধৰণৰ হিচাপীয় ব্যৱস্থা কৰা হয় ?

(e) How is goodwill valued under capitalisation of super profit method ?

অতিলাভৰ মূলধনীকৰণ পদ্ধতিত সুনামৰ মূল্যায়ন কেনেধৰণে কৰা হয় ?

3. Answer the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) What are inter-departmental transactions? How are they accounted for in the books?

আন্তঃবিভাগীয় লেনদেনসমূহ কি কি ? কিদৰে সেইবোৰক হিচাপ বহীত লিপিৱদ্ধ কৰা হয় ?

(b) Explain the need of accounting standard.

হিচাপীয় মানকৰ আৱশ্যকতা ব্যাখ্যা কৰা।

Or / অথবা

Discuss the role of accounting concepts in the preparation of financial statements.

চূড়ান্ত হিচাপ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত হিচাপৰ ধাৰণাসমূহৰ ভূমিকা বৰ্ণনা কৰা।

(c) From the following particulars, calculate value of goodwill on the basis of 1½ year's purchase of super profit. The actual profits for last four years were as under :

নিম্নোক্ত তথ্যসমূহৰ পৰা অতিলাভৰ 1½ ক্ৰয়বৰ্ষৰ ভিত্তিত সুনামৰ মূল্য নিৰ্ধাৰণ কৰা। যোৱা চাৰি বছৰৰ প্ৰকৃত লাভ তলত দিয়া ধৰণে আছিল ঃ

| | | ₹ |
|---|---|---|
| 2014–15 | Profit (লাভ) | 91,000 |
| 2015–16 | Profit (লাভ) | 1,12,500 |
| 2016–17 | Loss (লোকচান) | 15,000 |
| 2017–18 | Profit (লাভ) | 1,57,000 |

Other information :

অতিৰিক্ত তথ্য ঃ

(i) Capital employed ₹ 3,75,000

বিনিয়োজিত মূলধন 3,75,000 টকা

(ii) Market rate of return on investment 8%

বিনিয়োগৰ ওপৰত বজাৰ প্ৰত্যাৰ্পণৰ হাৰ 8%

(iii) Rate of risk attached to such investment 2%

তেনে বিনিয়োগৰ লগত সংলগ্ন ক্ষতিশংকাৰ হাৰ 2%

(iv) Remuneration from alternative employment of the proprietor, if not engaged in business, ₹ 45,000 p.a.

যদি ব্যৱসায়ত নিয়োজিত নহয়, বিকল্প সংস্থাপনৰ পৰা স্বত্বাধিকাৰৰ পাৰিশ্ৰমিক 45,000 টকা প্ৰতি বৰ্ষ।

(v) Salary of manager who is not required in new set-up ₹ 30,000 p.a.

প্ৰবন্ধকৰ বেতন, যাক নতুন ব্যৱস্থাত প্ৰয়োজন নহয় 30,000 টকা প্ৰতি বৰ্ষ।

Or / অথবা

Explain the circumstances that necessiate the valuation of goodwill.

কি কি অৱস্থাত সুনামৰ মূল্যায়ন জৰুৰী হৈ পৰে ব্যাখ্যা কৰা।

(d) Describe the procedure of determining the purchase consideration in case a partnership firm is sold to a company.

অংশীদাৰী প্ৰতিষ্ঠান এটাক কোম্পানীলৈ বিক্ৰী কৰাৰ ক্ষেত্ৰত ক্ৰয়-প্ৰতিদান নিৰ্ধাৰণৰ কাৰ্যবিধি বৰ্ণনা কৰা।

Or / অথবা

Mention the accounting treatment of the following in the event of dissolution of a partnership firm :

অংশীদাৰী প্ৰতিষ্ঠান এটাৰ অৱসায়নৰ ক্ষেত্ৰত তলত দিয়াবোৰৰ হিচাপকৰণৰ ব্যৱস্থা কেনেদৰে কৰিবা উল্লেখ কৰা ঃ

(i) Goodwill (সুনাম)

(ii) Unrecorded assets.

লিপিবদ্ধ নোহোৱা সম্পত্তি।

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) A Kolkata Head Office has a branch at Tezpur to which goods are invoiced at cost price. From the following particulars relating to the branch, prepare Tezpur Branch Account in the books of the Head Office :

এক কলকাতাস্থিত মুখ্য কাৰ্যালয়ৰ তেজপুৰস্থিত এক শাখা আছে যত কিনা মূল্যত সামগ্ৰী প্ৰেৰণ কৰা হয়। উক্ত শাখা সম্বন্ধীয় তলৰ তথ্যসমূহৰ পৰা মুখ্য কাৰ্যালয়ৰ বহীত তেজপুৰ শাখা হিচাপ প্ৰস্তুত কৰা ঃ

| | 1.1.2017<br>₹ | 1.1.2018<br>₹ |
|---|---|---|
| Stock at branch<br>শাখাৰ মজুত পণ্য | 48,250 | 86,960 |
| Debtors at branch<br>শাখাৰ দেনাদাৰ | 51,000 | 38,000 |
| Petty cash at branch<br>শাখাৰ ক্ষুদ্ৰ নগদ ধন | 900 | 750 |

The branch manager is entitled to a commission @ 10% on net profit left after charging such commission.

শাখা প্ৰবন্ধকে এনে কমিচন চাৰ্জ কৰাৰ পিছত থকা নেট প্ৰফিটৰ ওপৰত 10% হাৰত কমিচন পোৱাৰ ব্যৱস্থা আছে।

Transactions for the year :

বছৰটোৰ লেনদেনসমূহ ঃ

| | | ₹ |
|---|---|---|
| Goods sent to branch<br>শাখালৈ প্ৰেৰিত সামগ্ৰী | | 1,50,000 |
| Goods returned by branch<br>শাখাই ফিৰং দিয়া সামগ্ৰী | | 10,000 |
| Total sales<br>মুঠ বিক্ৰী | | 2,90,500 |
| Cash sales<br>নগদ বিক্ৰী | | 80,000 |
| Goods returned by branch debtors<br>শাখাৰ দেনাদাৰে ফিৰং দিয়া সামগ্ৰী | | 3,300 |
| Discount allowed<br>প্ৰদত্ত বাট্টা | | 2,700 |
| Cash sent to branch for expenses :<br>খৰচৰ বাবে শাখালৈ প্ৰেৰিত নগদ ধন ঃ | | |
| Salaries to staff<br>কৰ্মচাৰীৰ বেতন | ₹ 10,500 | |
| Rates and taxes<br>অভিকৰ আৰু কৰ | ₹ 6,000 | |
| Petty expenses<br>ক্ষুদ্ৰ খৰচ | ₹ 1,100 | 17,600 |

Or / অথবা

M/s Eastern Traders, Guwahati have opened a branch at Bongaigaon on 1.7.2017. The goods were sent by the head office to the branch at cost plus 25%.

গুৱাহাটীৰ মেচাৰ্চ ইষ্টাৰ্ন ট্ৰেডাৰ্চে 1.7.2017 তাৰিখে বঙাইগাওঁত এক শাখা স্থাপন কৰে। কিনা দামৰ লগত 25% লাভ যোগ কৰি মুখ্য কাৰ্যালয়ে শাখালৈ পণ্য সামগ্ৰী প্ৰেৰণ কৰে।

The transactions for the year were :

বছৰটোত হোৱা লেনদেনসমূহ আছিল তলত দিয়া ধৰণৰ ঃ

Goods sent to branch (at cost) ₹ 5,61,600

শাখালৈ প্ৰেৰিত সামগ্ৰী (কিনা মূল্যত)

Sales (বিক্ৰী) ঃ

| | | |
|---|---|---|
| Cash<br>নগদ | ₹ | 3,50,000 |
| Credit<br>বাকী | ₹ | 3,50,000 |

Cash collected from debtors ₹ 3,12,000

দেনাদাৰ সকলৰ পৰা নগদ ধন সংগ্ৰহ

| | | ₹ |
|---|---|---|
| Discount allowed<br>বাট্টা প্ৰদান | | 8,000 |
| Cash sent to branch for expenses :<br>খৰচৰ বাবে শাখালৈ নগদ ধন প্ৰেৰণ ঃ | | |
| Wages<br>মজুৰী | ₹ 8,000 | |
| Freight<br>ভাড়া | ₹ 22,000 | |
| Other expenses<br>অন্যান্য খৰচ | ₹ 12,000 | 42,000 |
| Spoiled goods written off at invoice price<br>বিনষ্ট সামগ্ৰীৰ অৱলোপন, বিক্ৰী মূল্যত | | 1,000 |
| Stock on June 30, 2018 at invoice price<br>জুন 30, 2018 তাৰিখে মজুত সম্ভাৰ বিক্ৰী মূল্যত | | 1,11,000 |
| Branch debtors on 30th June, 2018<br>30 জুন 2018 তাৰিখে শাখাৰ দেনাদাৰ | | 20,000 |

Ascertain Profit or Loss of Bongaigaon branch by preparing necessary accounts under analytical system.

Analytical পদ্ধতিত বিভিন্ন হিচাপসমূহ প্ৰস্তুত কৰি বঙাইগাওঁ শাখাৰ লাভ বা লোকচান নিৰ্ধাৰণ কৰা।

(b) The following purchases were made by a business house having three departments :

তিনি বিভাগযুক্ত এক ব্যৱসায় প্ৰতিষ্ঠানে তলত দিয়া ধৰণে পণ্য সামগ্ৰী ক্ৰয় কৰে ঃ

Department A (বিভাগ A) – 1,000 units

Department B (বিভাগ B) – 2,000 units

Department C (বিভাগ C) – 2,400 units

at a total cost of ₹ 1,00,000

মুঠ কিনা দাম 1,00,000 টকা

Opening stock were :

আৰম্ভণী মজুত সামগ্ৰী আছিল ঃ

Department A (বিভাগ A) – 120 units

Department B (বিভাগ B) – 80 units

Department C (বিভাগ C) – 152 units

The sales were :

বিক্ৰী আছিল ঃ

Department A – 1,020 units @ ₹ 20 each

বিভাগ A – 1,020 ইউনিট, 20 টকা প্ৰতি ইউনিট দৰত

Department B – 1,920 units @ ₹ 22·50 each

বিভাগ B – 1,920 ইউনিট, 22·50 টকা প্ৰতি ইউনিট দৰত

Department C – 2,496 units @ ₹ 25 each

বিভাগ C – 2,496 ইউনিট, 25 টকা প্ৰতি ইউনিট দৰত

The rate of gross profit is the same in each case.

সকলো ক্ষেত্ৰতে মুঠ লাভৰ হাৰ একেই।

Prepare Departmental Trading Account.

বিভাগীয় ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰা।

Or / অথবা

From the following balances make out a Departmental Trading and Profit and Loss Account for the year ended 31st December, 2018 :

তলত দিয়া হিচাপৰ ৰাহিবোৰৰ পৰা 31 ডিচেম্বৰ 2018ত অন্তপৰা বৰ্ষটোৰ বাবে এক বিভাগীয় ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা ঃ

| | Department-A | Department-B |
|---|---|---|
| | ₹ | ₹ |
| Stock on 1.1.2018<br>1.1.2018 তাৰিখে মজুত সম্ভাৰ | 6,000 | 6,000 |
| Stock on 31.12.2018<br>31.12. 2018 তাৰিখে মজুত সম্ভাৰ | 5,000 | 4,000 |
| Purchases<br>ক্ৰয় | 10,000 | 5,000 |
| Return inward<br>বিক্ৰয় ফিৰৎ | 400 | 200 |
| Transfer from department B to A<br>বিভাগ Bৰ পৰা বিভাগ A লৈ পণ্য হস্তান্তৰন | 500 | 500 |
| Wages<br>মজুৰী | 2,000 | 1,000 |
| Sales<br>বিক্ৰী | 28,000 | 15,000 |

Advertisement expenses ₹ 1,320 are to be allocated between the departments in the ratio of cost of sales.

বিজ্ঞাপন খৰচ 1,320 টকা cost of sales অনুপাতত বিভাগসমূহৰ মাজত আবন্টন কৰিব লাগে।

Carriage inward ₹ 600 ; Carriage outward ₹ 1,167 are to be allocated on some appropriate basis.

ক্ৰয়জনিত পৰিবহন 600 টকা ; বিক্ৰয়জনিত পৰিবহন 1,167 টকা কিছু যুক্তিসঙ্গত ভিত্তিত আবন্টন কৰিব লাগে।

(c) A and B were in partnership sharing profits and losses in the ratio of 3 : 2. On 31st March, 2019 when the firm was dissolved, their position was as follows :

3 : 2 অনুপাতত লাভ বন্টন কৰা A আৰু B দুজন অংশীদাৰ। 31 মাৰ্চ 2019 তাৰিখত যি দিনা অংশীদাৰী প্ৰতিষ্ঠানটোৰ অৱসায়ন ঘটে, তেওঁলোকৰ অৱস্থা তলত দিয়া ধৰণৰ আছিল ঃ

| | ₹ |
|---|---|
| A's Capital Account<br>Aৰ মূলধন হিচাপ | 36,000 |
| B's Capital Account<br>Bৰ মূলধন হিচাপ | 22,000 |
| Fixed assets<br>স্থিৰ সম্পত্তি | 55,000 |

| | ₹ |
|---|---|
| Stock<br>মজুত সম্ভাৰ | 23,000 |
| Debtors<br>দেনাদাৰ | 21,500 |
| Provision for doubtful debts<br>সন্দেহজনক ঋণপুঁজি | 1,500 |
| Creditors<br>পাওনাদাৰ | 36,000 |
| Cash in hand<br>নগদ হাতে জমা | 3,500 |

There was a profit for the financial year ending on 31st March, 2019. This profit has not yet been adjusted to the capital accounts of the partners.

31 মাৰ্চ 2019ত অন্তপৰা বিত্তীয় বৰ্ষটোৰ এক লাভ আছিল। এই লাভক এতিয়ালৈকে অংশীদাৰ সকলৰ মূলধনৰ লগত সংযোজন ঘটোৱা হোৱা নাই।

50% of the creditors were paid at 5% discount while the rest at an interest of 10% p.a.

50% পাওনাদাৰৰ 5% বিয়াজত আৰু বাকী সকলক 10% হাৰত সুদত নিষ্পত্তি ঘটোৱা হয়।

Debtors realised in full.

দেনাদাৰ সকলৰ পৰা সম্পূৰ্ণ ধন আদায় পোৱা হয়।

Fixed assets of the book value of ₹ 15,000 were taken over by A at an agreed value of ₹ 10,000 and the remaining were sold at a loss of 5%.

15,000 টকাৰ লিখিত মূল্যৰ স্থিৰ সম্পত্তিক Aয়ে সম্মত মূল্য 10,000 টকাত অধিগ্ৰহণ কৰে আৰু বাকী থকা-খিনিক 5% লোকচানত বিক্ৰী কৰি দিয়া হয়।

There was a typewriter, the value of which was reduced to nil by the way of charging depreciation on straight line method. This typewriter was taken over by B at an agreed value of ₹ 1,500.

সৰলৰৈখিক পদ্ধতিত অৱক্ষয় ধাৰ্য কৰাৰ ফলস্বৰূপে এক মুদ্ৰালিখন যন্ত্ৰৰ মূল্য শূণ্যলৈ নামি আহিছিল। এই যন্ত্ৰটোক Bয়ে সম্মত মূল্য 1,500 টকাত অধিগ্ৰহণ কৰে।

Dissolution expenses were ₹ 1,500.

অৱসায়নৰ আনুমানিক খৰচ হয় 1,500 টকা।

Prepare necessary Ledger Accounts to close the books of the firm.

প্ৰতিষ্ঠানটোৰ হিচাপ বহীসমূহ বন্ধ কৰিবৰ বাবে প্ৰয়োজন হোৱা দৰকাৰী খতিয়ন হিচাপসমূহ প্ৰস্তুত কৰা।

Or / অথবা

Discuss how and under what circumstances a firm may be dissolved.

কেনেদৰে আৰু কি কি অৱস্থাত এটা অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন হ'ব পাৰে আলোচনা কৰা।

(d) Jack and Jill Company Ltd. was formed to take over the business of Humpty and Dumpty who share profits as 2:1. The Balance Sheet of Humpty and Dumpty was as under on December 31, 2018 :

2:1 অনুপাতত লাভ বন্টন কৰা Humpty আৰু Dumptyৰ ব্যৱসায় হস্তগত কৰিবৰ বাবে Jack and Jill Company Ltd.ৰ গঠন হয়। 31 ডিচেম্বৰ 2018ৰ দিনা Humpty আৰু Dumptyৰ উদ্বৃত্ত পত্ৰটো তলত দিয়া ধৰণৰ আছিল ঃ

| Liabilities<br>দেনাসমূহ | ₹ | Assets<br>সম্পত্তিসমূহ | ₹ |
|---|---|---|---|
| Bills Payable<br>প্ৰদেয় বিল | 7,000 | Land and Building<br>ভূমি আৰু ভৱন | 64,000 |
| Sundry Creditors<br>বিভিন্ন পাওনাদাৰ | 34,000 | Stock<br>মজুত সম্ভাৰ | 62,000 |
| Mrs Dumpty's loan<br>শ্ৰীমতী Dumptyৰ ঋণ | 8,000 | Debtors<br>দেনাদাৰ | 39,600 |

| Liabilities<br>দেনাসমূহ | | ₹ | Assets<br>সম্পত্তিসমূহ | ₹ |
|---|---|---|---|---|
| Capital :<br>মূলধন ঃ | ₹ | | Bills Receivable<br>প্ৰাপ্য বিল | 30,000 |
| Humpty | 1,40,000 | | Investments<br>বিনিয়োগ | 21,400 |
| Dumpty | 70,000 | 2,10,000 | Cash at Bank<br>বেংকত জমা | 6,000 |
| | | | Goodwill<br>সুনাম | 36,000 |
| | | 2,59,000 | | 2,59,000 |

The company agreed to take over assets at book value with the exception of Bills Receivable and Debtors which were taken over at ₹ 60,000.

The investments were retained by the firm and were subsequently sold at a loss of ₹ 1,200. Loan from Mrs Dumpty was discharged by the firm. Remaining liabilities were taken over by the company. The purchase consideration was to be discharged as : 13,000 shares of ₹ 10 each at a premium of ₹ 2 per share and the balance in cash.

প্ৰাপ্য বিল আৰু দেনাদাৰ বাদে কোম্পানীয়ে সম্পত্তিসমূহ লিখিত মূল্যত অধিগ্ৰহণ কৰে। প্ৰাপ্য বিল আৰু দেনাদাৰক কোম্পানীয়ে 60,000 টকাত অধিগ্ৰহণ কৰিবলৈ মান্তি হয়।

বিনিয়োগক প্ৰতিষ্ঠানটোৱে নিজে ৰাখি থয় আৰু পিচলৈ ইয়াক 1,200 টকা লোকচানত বিক্ৰী কৰি দিয়া হয়। শ্ৰীমতী Dumptyৰ ঋণ প্ৰতিষ্ঠানটোৱে নিজে পৰিশোধ কৰে। বাকী দেনাবোৰ কোম্পানীয়ে নিজৰ দায়িত্বলৈ আনে। ক্ৰয় প্ৰতিদানৰ নিষ্পত্তি এনে ধৰণে ঘটোৱাৰ ব্যৱস্থা কৰা হয়ঃ 13,000টা 10 টকীয়া অংশ, অংশই প্ৰতি 2 টকা প্ৰিমিয়ামত বিলিৰ দ্বাৰা আৰু বাকী নগদ ধনৰ দ্বাৰা।

Prepare necessary Ledger Accounts to close the books of the firm.

প্ৰতিষ্ঠানটোৰ হিচাপ বহীসমূহ বন্ধ কৰিবৰ বাবে প্ৰয়োজনীয় খতিয়ন হিচাপসমূহ প্ৰস্তুত কৰা।

Or/ অথবা

Give journal entries to be passed for closing the books of the firm on sale of firm to a company.

অংশীদাৰী প্ৰতিষ্ঠান এটা কোম্পানীলৈ বিক্ৰী হোৱাৰ সময়ত প্ৰতিষ্ঠানটোৰ হিচাপ বহীসমূহ বন্ধ কৰিবলৈ প্ৰয়োজন হোৱা জাবেদা প্ৰবিষ্টিসমূহ লিখা।